# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 23-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে।

২। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত আজি জম্মু কাশ্মীৰৰ বিভিন্ন অঞ্চলত জনসাধাৰণে স্বতস্ফূৰ্তভাৱে বন্ধ পালন কৰিছে।

৩। জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নিশা কাটৰাৰ পৰা নতুন দিল্লীলৈ বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে।

৪। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচনক সময়ৰ আহ্বান বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ পৰ্যটকৰ ৰম্যভূমি বেইচ্‌ৰণত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী পৰ্যটক নিহত হোৱা ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী বাসভৱনত বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে। এই ঘটনাৰ তদন্ত কৰা ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা - এন আই এয়ে ইতিমধ্যে পেহেলগাম আক্ৰমণৰ সৈতে জড়িত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদী - আছিফ ফৌজী ওৰফে মুছা, চুলেমান শ্বাহ ওৰফে ইউনুছ আৰু আবু তালহা ওৰফে আছিফৰ ৰেখাচিত্ৰ প্ৰকাশ কৰিছে। ইপিনে, এই সন্ত্ৰাসবাদী দলটোৰ বিৰুদ্ধে সেনাবাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে নিঃশ্চিদ্ৰ অভিযান চলাই আছে। এই অভিযান সেনাবাহিনীৰ নৰ্ডাৰ্ণ কমাণ্ডৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল এম বি সুচেন্দ্ৰ কুমাৰে তদাৰক কৰি আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পেহেলগাম আক্ৰমণৰ সৈতে প্ৰত্যক্ষভাৱে জগৰীয়াসকলৰ বিৰুদ্ধেই নহয়, ইয়াৰ আঁৰত থাকি কাম কৰাসকলৰ বিৰুদ্ধেও ভাৰতে শীঘ্ৰেই নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। আজি নতুন দিল্লীত বায়ুসেনা বাহিনীৰ এটা অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই দৃঢ় মন্তব্য কৰে।

ইয়াৰ আগতে আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জম্মুৰ বেইচ্‌ৰণ বনাঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গক তেওঁ নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা সন্ত্ৰাসবাদীসকলক কোনো কাৰণতে ৰেহাই দিয়া ন'হব বুলি আশ্বাস দিয়ে। ভাৰতে সন্ত্ৰাসবাদীৰ ওচৰত শিৰনত নকৰে বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে এই কাপুৰুষালি ভৰা আক্ৰমণৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহ'ব। শ্ৰীশ্বাহে শ্ৰীনগৰৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষত নিহতসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ লগতে আক্ৰমণত আহত হৈ অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ থকাসকলৰ স্বাস্থ্যৰ বুজ লয়। কালি পহলগামত সংঘটিত এই সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬গৰাকী

পৰ্যটকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ ভিতৰত বায়ুসেনা বাহিনীৰ কৰ্পোৰেল অৰুণাচল প্ৰদেশৰ টাগে হাইলিয়াঙো আছে। নিহত সকলৰ মৃতদেহ বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ নিজ গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীয়ে তিনিজন আক্ৰমণকাৰীৰ স্কেট্‌ছ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে এই আক্ৰমণৰ তদন্তত দায়িত্ব গ্ৰহণ কৰিছে।

০০০০

কাশ্মীৰৰ পেহেলগামত কালি সংঘটিত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমনত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে এই ঘটনাৰ প্ৰতিবাদৰূপে আজি লাডাখৰ লেহ অঞ্চলত পুৱাৰে পৰা বিয়লিৰ ভাগলৈ শান্তিপূৰ্ণ বন্ধ পালন কৰা হয়। বন্ধৰ সময়ছোৱাত অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ থাকে। লেহৰ পাৰ্বত্য পৰিষদে মুখ্য কাৰ্যবাহী কাউন্সিল টাশি গেল্যিশ্বনৰ অধ্যক্ষতাত এখন শোকসভা অনুষ্ঠিত কৰাৰ লগতে এই ঘটনাত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত ২ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। ইপিনে, লাডাখ বুদ্ধিষ্ট এছোছিয়েছন, অঞ্জুমান ইমামিয়া, অঞ্জুমান মইন উল ইছলাম, খ্ৰীষ্টীয়ান এছোছিয়েছন, সদৌ লাডাখ গনপা এছোছিয়েছন আৰু সদৌ লাডাখ ট্ৰেভেল এণ্ড ট্ৰেড এছোছিয়েছনকে ধৰি সকলো ধৰ্মৰ নেতাসকলে পেহেলগামৰ নৃশংশ আক্ৰমণৰ ঘটনাৰ গৰিহণা দি সংবাদ মেল অনুষ্ঠিত কৰে। গধুলি লেহ বজাৰত অঞ্চলটোৰ লোকসকলে মমবাতি জ্বলাই সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকসকলৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে প্ৰাৰ্থনা জনায়।

কাৰ্গিল অঞ্চলতো কালি পেহেলগামৰ নিৰীহ পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীয়ে কৰা বৰ্বৰ আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত আজি পুৱাৰে পৰা বিয়লিৰ ভাগলৈ বন্ধ পালন কৰা হয়। বন্ধৰ সময়ছোৱাত অঞ্চলটোৰ সকলো দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকে। কাৰ্গিলৰ জনসাধাৰণে এই নৃশংস ঘটনাত গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে ন্যায়ৰ দাবী জনায়। অঞ্চলটোৰ জনসাধাৰণে এই ঘটনাক কাপুৰুষালী বুলি অভিহিত কৰাৰ লগতে ভৱিষ্যতলৈ এনে ঘটনা যাতে সংঘটিত নহয় তাৰ বাবে চৰকাৰক ব্যৱস্থা লবলৈ আহ্বান জনাইছে।

০০০০

জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ৰে'লৰে আজি নিশা কাটৰাৰ পৰা নতুন দিল্লীলৈ বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি কাশ্মীৰত আৱদ্ধ হৈ থকা পৰ্যটক যাত্ৰীসকলক কঢ়িয়াই অনাৰ বাবে শ্ৰীমাতা বৈষ্ণোদেৱী কাটৰা ষ্টেছনৰ পৰা নিশা ৯ বাজি ২০ মিনিটত এই ৰেলখনে দিল্লীলৈ যাত্ৰা আৰম্ভ কৰিব। ৰে'লৰেই যাত্ৰীসকলৰ সুবিধাৰ্থে কেবিটাও হেল্পলাইন নম্বৰ মুকলি কৰি দিছে। ইয়াৰে জম্মু টাৱি ষ্টেছনৰ যাত্ৰীসকলৰ বাবে ০১৯১-২৭৪৭০১১৬ শ্ৰীমাতা বৈষ্ণোদেৱী কাটৰা ষ্টেছনৰ যাত্ৰীসকলৰ বাবে ০১৯৯১-২৩৪৮৭৬ আৰু উধামপুৰ ষ্টেছনৰ যাত্ৰীসকলৰ বাবে ৭৭১৭৩০৬৬১৬ হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে।

এই আক্ৰমণৰ পৰিপ্ৰেক্ষিতত শ্ৰীনগৰৰ পৰা দিল্লী আৰু মুম্বাইলৈ ৪ খন বিশেষ বিমানৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজনত এই বিমানৰ সংখ্যা আৰু বৃদ্ধি কৰা হ'ব। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৱে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে পৰিস্থিতি নিৰীক্ষণ কৰি আছে। ইপিনে, ৪৪ নম্বৰ জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথটো যান বাহন চলাচলৰ বাবে এতিয়াও মুকলি কৰি দিয়া নাই। পথটো অনতি পলমে মুকলি কৰাৰ বাবে ক্ষীপ্ৰ গতিত কাম চলি আছে।

০০০০

অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা টেলিফোনিক বাৰ্তালাপত জম্মু কাশ্মীৰত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। সামাজিক মাধ্যমৰ এটা পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে যে, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত লোকসকলৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে এই দুখৰ সময়ত তেঁও ভাৰতৰ লোকসকলৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী আলবানিজে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুজখনৰ প্ৰতি পূৰ্ণ সমৰ্থন আছে বুলি প্ৰকাশ কৰে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীল নীতিক দোহাৰিছে। তেওঁ কয়, যে পেহেলগামৰ আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত লোকসকলক উচিত প্ৰত্যুত্তৰ দিয়াৰ ক্ষেত্ৰত কোনো ধৰণৰ সুৰুঙা ৰখা নহ'ব। নতুন

দিল্লীত ভাৰতীয় বায়ু সেনাই আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কালিৰ আক্ৰমণৰ প্ৰতিআক্ৰমণ কৰিবলৈ সকলো প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। পেহেলগামৰ বৰ্বৰ আক্ৰমণৰ ঘটনাক গৰিহণা দি শ্ৰীসিঙে শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত কুচ্চিৰ এন ৰামচন্দ্ৰনৰ মৃতদেহ আজি ভাৰতীয় বায়ু সেনাৰ বিমানেৰে নতুন দিল্লীলৈ অনা হৈছে। এন ৰামচন্দ্ৰনে পৰিয়ালৰ অন্যান্য সদস্যসকলৰ সৈতে বন্ধৰ দিন উপভোগ কৰিবলৈ কাশ্মীৰ ভ্ৰমণলৈ যোৱাৰ সময়তে কালি পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু মুখত পৰে। ৰামচন্দ্ৰনৰ মৃতদেহ পৰৱৰ্তীয় সময়ত নতুন দিল্লীৰ পৰা কুচ্চিলৈ লৈ যোৱা হ'ব। ইপিনে, এই ঘটনাত নিহত কলকাতাৰ বিটেইন অধিকাৰী নামৰ লোকজনকো একেখন বিমানেৰে নতুন দিল্লীলৈ অনা হৈছে। পৰৱৰ্তী সময়ত বিটেইন অধিকাৰীৰ মৃতদেহ কলকাতাৰ ঘৰলৈ লৈ যোৱা হ'ব।

০০০০

দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ পেহেলগামত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত জীৱন হেৰুওৱা লোকসকলৰ বাবে প্ৰতিজন ভাৰতীয়ই দুখ প্ৰকাশ কৰিছে। এই ঘটনাত নিহত লোকসকলৰ প্ৰতি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। শ্ৰীনগৰৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষত ৰখা নিহত লোকসকলৰ পাৰ্থিৱ দেহত মন্ত্ৰী শ্ৰীশ্বাহে মাল্যাৰ্পন কৰে। তেওঁ কয়, যে দেশৰ পৰা সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী শেষ হৈ নোযোৱা পৰ্যন্ত ইয়াৰ বিৰুদ্ধে যুঁজ চলাই যাব। ইয়াৰ পাছত শ্ৰীশ্বাহে সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হোৱা পেহেলগামৰ বেইচৰণ এলেকা পৰিদৰ্শন কৰে। তেওঁ অনন্তনাগ চিকিৎসালয়ত ভৰ্তি হৈ থকা আহত লোকসকলৰ স্বাস্থ্যৰ বুজ লয়। আহত লোকসকলক সকলো ধৰণৰ সা-সুবিধা দিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

পেহেলগামৰ কালিৰ এই বৰ্বৰ আক্ৰমণৰ ঘটনাত ২৬ গৰাকীকৈ পৰ্যটকৰ মৃত্যু হয়। নিহত লোকসকলৰ মৃতদেহসমূহ বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ নিজ বাসগৃহলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষী আৰু চোৰাংচোৱা সংস্থাই কালিৰ আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত ৩ জন আক্ৰমণকাৰীৰ ৰেখাচিত্ৰ অংকন কৰি মুকলি কৰিছে। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ এটা বিশেষ দলে ইতিমধ্যে এই ঘটনাৰ অনুসন্ধানৰ দায়িত্ব লৈছে। কালি সন্ধিয়া কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীনগৰত উপস্থিত হৈ সুৰক্ষা সম্পৰ্কীয় পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ৰাজভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত সকলো উচ্চ পদস্থ নিৰাপত্তা বিষয়া, চোৰাংচোৱা সংস্থাৰ বিষয়া আৰু প্ৰশাসনৰ বিষয়াসকলে ভাগ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে জম্মু-কাশ্মীৰত সকলো সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰীয়ে কয়, যে কোনো ধৰণৰ ক্ষতিপূৰণে হেৰোৱা জীৱন এটাৰ মূল্য দিব নোৱাৰে। কিন্তু এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালৰ সৈতে চৰকাৰ আছে বুলি তেওঁ প্ৰকাশ কৰে। জম্মু-কাশ্মীৰ চৰকাৰে কালিৰ সন্ত্ৰাসবাদীৰ ঘটনাত নিহত লোকসকলৰ পৰিয়াললৈ ১০ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ লগতে গুৰুতৰভাৱে আহত লোকসকললৈ ২ লাখ টকাৰ আৰু সামান্যভাৱে আহত লোকসকললৈ ১ লাখ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী শ্ৰীওমৰ আব্দুলাৰ নিৰ্দেশমৰ্মে জম্মু-কাশ্মীৰৰ সকলো চৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীসকলে সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই ২ মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। উপ ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুলা, পিডিপিৰ সভানেত্ৰী মেহবুবা মুফতি, পিপলছ কনফাৰেন্সৰ অধ্যক্ষ চাজাদ গনি লনে আৰু বিভিন্ন ৰাজনৈতিক দলৰ লোকসকলে এই বৰ্বৰ ঘটনাৰ গৰিহণা দিয়ে। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত আজি কাশ্মীৰ উপত্যকা বন্ধা পালন কৰা হয়।

০০০০

পহলগামৰ উগ্ৰপন্থী আক্ৰমনৰ ঘটনাৰ পিছতেই কাশ্মীৰ উপত্যকাৰ পৰ্যটনৰ ক্ষেত্ৰখনত থকা সকলো দাঁগ আতৰাবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে মন্তব্য কৰিছে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় পুৰাতত্ত্ব উপদেষ্টা পৰিষদৰ ৩৮-সংখ্যক বৈঠকত মন্ত্ৰীজনে এই মন্তব্য কৰিছে। বৈঠকত সভাপতিত্ব কৰা কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে সংবাদ মাধ্যমক সম্বোধন কৰি ৰাষ্ট্ৰৰ ঐতিহ্য আৰু ঐতিহাসিক স্মৃতিসৌধসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতীয়

পুৰাতাত্ত্বিক জৰীপৰ নিৰন্তৰ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে এই বৈঠকখনে বিভিন্ন অংশীদাৰীসকলৰ বাবে অতীতৰ সাফল্যক প্ৰতিফলিত কৰা আৰু ভৱিষ্যতৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিছে।

সমগ্ৰ বিশ্বৰ সন্মুখত ভাৰতৰ বৰ্ধিত মৰ্যাদাৰ কথা আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতৰ প্ৰতি বিশ্বৰ ধাৰণাত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ আহিছে আৰু আজিৰ দিনত প্ৰতিজন ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে। মন্ত্ৰীগৰাকীয়ে এই বৈঠকৰ গুৰুত্ব আৰোপ কৰি কয় যে বৈঠকৰ ফলাফলে দেশৰ ঐতিহ্য সংৰক্ষণ আৰু পুৰাতাত্ত্বিক পদক্ষেপৰ দিশত আগবাঢ়ি যোৱাৰ পথ নিৰ্ধাৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০

এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচনক সময়ৰ আহ্বান বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে। আজি নতুন দিল্লীত এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন শীৰ্ষক ছাত্ৰ সন্মিলনৰ ভাষনত মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। তেওঁ কয় যে, লোকসভা আৰু বিধান সভাৰ পৃথক পৃথক নিৰ্বাচনে দেশৰ উন্নয়নত বাধা দিছে। দেশৰ নাগৰিকসকলে নিৰ্বাচনৰ ঘনত্ব বিবেচনা কৰা উচিত, কাৰণ নিৰ্বাচনত তেওঁলোকৰ মূল্যৱান সময় আৰু প্ৰচুৰ অৰ্থৰ ব্যয় হয় বুলিও মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

শ্ৰী চৌহানে যুক্তি আগবঢ়াইছে যে পৃথকে পৃথকে হোৱা নিৰ্বাচনসমূহে দেশৰ প্ৰগতিত বাধা দিয়ে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ পৰা কেবিনেট মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈকে সকলোৱে নিৰ্বাচনৰ প্ৰস্তুতিৰ সৈতে ব্যস্ত হৈ পৰে, যাৰ ফলত উন্নয়নমূলক কাম-কাজ বন্ধ হৈ পৰে।

এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই ভাষণ প্ৰসংগত বিকশিত ভাৰতত যুৱচামৰ অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উদ্দেশ্যৰ বাবে এক লাখ যুৱ নেতা গঢ়ি তোলাৰ লক্ষ্য লৈছে। মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰৰ প্ৰগতিৰ বাবে এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচনৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰি দৃঢ়তাৰে কয় যে ভাৰতৰ ভৱিষ্যত প্ৰজন্মই মনত ৰাখিব লগীয়া এই পদক্ষেপ ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০

সমাপ্ত

Lanka Infection -23-04-2025 Even-19-10 hrs

শ্ৰীলংকাত শেহতীয়াকৈ চিকুনগুনিয়াৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পিছত দেশখনৰ স্বাস্থ্য মন্ত্ৰালয়ে সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰী লংকাৰ স্বাস্থ্য মন্ত্ৰী ডাঃ নালিন্দা জয়তিছাই কালি সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি এপিডেমিঅ’লজি কেন্দ্ৰটোৱে সমগ্ৰ পৰিস্থিতিটো নিৰীক্ষণ কৰি আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে শ্ৰী লংকাত সাম্প্ৰতিক সময়ত ডেংগু আৰু চিকুনগুনিয়াক ধৰি কেইবাটাও ভাইৰাছজনিত ৰোগে এটা জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে, যাৰ ফলত চৰকাৰে চিকিৎসালয় সমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে আৰু প্ৰয়োজন সাপেক্ষে অতিৰিক্ত কৰ্মচাৰীও নিয়োগ কৰিবলৈ কৰিছে। দেশখনৰ ৰতনপুৰা চিকিৎসালয়ৰ কৰ্মচাৰী সকলো এই সংক্ৰমনত আক্ৰান্ত হৈছে বুলি মন্ত্ৰীজনে উল্লেখ কৰিছে যদিও বৰ্তমানলৈকে দেশখনত সংক্ৰমনত আক্ৰান্ত ৰোগীৰ সংখ্যা চৰকাৰৰ ফালৰ পৰা প্ৰকাশ কৰা নাই। 0000

CABA- Meeting 23-04-2025 Even-19-10 hrs

ooo

ONE CONCLAVE- 23-04-2025 Even-19-10 hrs

OOOO